**প্ৰশ্ন ২। ফেচীবাদ কি? ইটালীত ফেচীবাদ উত্থানৰ পটভূমি বৰ্ণনা কৰা।**

**উত্তৰ।** **ফেচিষ্ট** বা **ফেচীবাদ** শব্দ লেটিন শব্দ '**ফেছিও**'ৰ (Fascio) পৰা উদ্ভৱ হৈছিল। এই ফেচিও শব্দৰ অৰ্থ দুটা—সংঘ বা ক্লাব আৰু এখন কুঠাৰেৰে সৈতে এবোজা লোৰ মাৰি। পুৰণি কালত ৰোমান যোদ্ধাসকলে নিজ ক্ষমতা বা কৰ্তৃত্বৰ প্ৰতীক হিচাপে লোৰ মাৰি সংলগ্ন এখন কুঠাৰ লগত লৈ ফুৰিছিল। ফেচিবাদৰ প্ৰতিষ্ঠাপক **বেনিট মুছলিনীয়ে** দেশবাসীৰ আগত প্ৰাচীন ৰোমান গৌৰৱ পুনৰুদ্ধাৰৰ আশা প্ৰকট কৰি তোলাৰ বাবে কেইজনমান বিশ্বস্ত অনুগামীক লৈ ১৯১৯ চনৰ মাৰ্চ মাহত **ফেচিও-ক্লাব** গঠন কৰে। লাহে লাহে এই ফেচিও বা ক্লাবেই ৰাজনৈতিক দললৈ পৰিবৰ্তন হ'ল। এই দলৰ সভ্যসকলক জনা গ'ল ফেচিষ্ট নামেৰে আৰু তেওঁলোকৰ আদৰ্শ বা নীতিৰ নাম হ'ল **ফেচিবাদ**।

ইটালীৰ সমকালীন অৱস্থাই ফেচিবাদৰ উত্থানত বিশেষভাৱে সহায় কৰিছিল। প্ৰথম বিশ্বযুদ্ধত ইটালীয়ে সাম্ৰাজ্য আৰু উপনিৱেশ লাভ কৰাৰ আশাৰে মিত্ৰপক্ষৰ হৈ যোগদান কৰিছিল। কিন্তু পৰৱৰ্তীকালত স্বাক্ষৰ হোৱা পেৰিচ-শান্তি-চুক্তিৰ দ্বাৰা মিত্ৰপক্ষই পূৰ্বতে ইটালীক দিয়া প্ৰতিশ্ৰুতি মতে সকলো অঞ্চল দিবলৈ সন্মত নহ'ল। ফলত ইটালীবাসী ক্ষুব্ধ হৈ পৰিল আৰু নিজ সংসদীয় গণতান্ত্ৰিক চৰকাৰকে দোষাৰোপ কৰিছিল। ইয়াৰোপৰি প্ৰথম বিশ্বযুদ্ধই ইটালীত ভয়াবহ অৰ্থনৈতিক দুৰ্যোগৰ সৃষ্টি কৰিছিল। দেশৰ চাৰিওফালে খাদ্যাভাৱ, মুদ্ৰাস্ফীতি আদিয়ে চূড়ান্ত ৰূপ ধাৰণ কৰিলে। দেশৰ ৰাজনীতিতো ইয়াৰ প্ৰভাৱ পৰিল। দেশৰ জনগণ সমস্যা সমাধানত ব্যৰ্থ হৈ তথা ৰাজনৈতিক দলবোৰৰ খোৱা-কামোৰাত ১৯১৯ চনৰপৰা ১৯২২ চনৰ অক্টোবৰ মাহলৈ ৬ খন মন্ত্ৰীসভাৰ উত্থান-পতন হ'ল। দেশৰ এনে এক নৈৰাশ্যজনক অৱস্থাত মুছলিনীৰ নেতৃত্বত গঠিত হোৱা ফেচিষ্ট দলে ইটালীত পুনৰ আভ্যন্তৰীণ শান্তি প্ৰতিষ্ঠা কৰি আৰু লগতে হেৰুৱা গৌৰৱ পুনৰুদ্ধাৰৰ সপোন দেশবাসীৰ আগত দাঙি ধৰাত তেওঁলোকে আশাৰ ৰেঙণি



**মুছলিনী**

Scanned by CamScanner

দেখা পালে। ফলত দলে দলে লোক ফেচিষ্ট দলত যোগদান কৰিবলৈ আগবাঢ়ি আহিল। মুছলিনীয়ে ফেচিষ্ট আদৰ্শৰ প্ৰতি আকৰ্ষিত কৰিবলৈ **'ব্লেক ছাৰ্টছ'** (কৃষ্ণ কুৰ্তা) নামে এক অৰ্দ্ধসামৰিক বাহিনী গঠন কৰি দেশত **সাম্যবাদী** আৰু **সমাজবাদী** ভাবধাৰাৰ লোকসকলক দমন কৰাত লাগিল।

মুছলিনীয়ে সন্ত্ৰাস চলোৱাৰ সত্ত্বেও ১৯২১ চনত অনুষ্ঠিত হোৱা ইটালীৰ সংসদৰ বাবে নিৰ্বাচনত ফেচিষ্ট দলে মাত্ৰ ৩৫ খন আসনহে লাভ কৰিলে। আনহাতে সাম্যবাদী-সমাজবাদী দলে মিলতিভাৱে লাভ কৰে ১৩৮ খন আসন। এনে পৰিস্থিতিত মুছলিনীয়ে বল প্ৰয়োগৰ জৰিয়তে ক্ষমতা হস্তগত কৰিবলৈ সিদ্ধান্ত ল'লে। ইতিমধ্যে ইটালীৰ ৰজা **তৃতীয় ভিক্টৰ ইমানুৱেলৰ** লগত প্ৰধানমন্ত্ৰী **লুইগি ফেক্টাৰ** (Luigi Facta)ৰ বিবাদ আৰম্ভ হৈছিল। সেইবাবে ২৯ অক্টোবৰত ৰজাই ফেক্টাক অপসাৰিত কৰি মুছলিনীক চৰকাৰ গঠন কৰিবলৈ আমন্ত্ৰণ কৰে। ফলত ৩০ অক্টোবৰত মুছলিনীয়ে প্ৰধানমন্ত্ৰীৰ পদ গ্ৰহণ কৰে আৰু ফেচিষ্ট দল ক্ষমতালৈ আহিল। এইদৰে ইটালীত ফেচিবাদৰ উত্থান হ'ল বুলি ক'ব পাৰি।

Scanned by CamScanner